# ফাউষ্টা

ঢোলত মিলিটাৰী টেট্টু-বাজনাৰদৰে এটা তীক্ষ্ণ, দ্রুত লহৰ পৰিল আৰু থামিল। এজোৰা চমৎকাৰ ক'লা, মম-দিয়া মোছৰ ওপৰত স্পটলাইটৰ আলোক নিক্ষিপ্ত হ'ল ঃ মহিলামৰ্দক লুইজি, 'লুইজি দি লেইডীকিলাৰ'।

"ভ-দ্র মহিলা আৰু ভ-দ্র মহোদয়সকল", চকু পিৰিক-পাৰাক কৰি বিকশিতদন্ত হাঁহিৰে লুইজিয়ে 'ৰ'-বোৰ জিভাৰে বগৰাই চিঞৰিলে, "আপোনালোকক চিনাকি কৰি দিবলৈ পাই আজি মই প-ৰ-ম আনন্দিত, অ-তুলনীয়, অ-ননুকৰণীয়, এ-ক ও অ-দ্বিতীয়, ভয়-হীনা (বেহেলাত এটা দীঘল ৰেপ)—'ফাউষ্টা' (বেহেলাত এটা দীৰ্ঘতৰ ৰেপ)—"

"ফিয়াৰলেছ ফাউষ্টা।"

আৰু এবাৰ ঢোলক-লহৰ, আৰু লুইজিৰ বাওঁহাতে দ্বিতীয় এটা স্পটলাইট পৰিল, আৰু তাৰ উজ্জ্বল আলোকৰ বৃত্তত দৃষ্টিগোচৰ হৈ পৰিল হাস্যময়ী, গাঢ়বৰ্ণ, শুভ্ৰকেশা, চটুলনয়না ফাউষ্টা, প্ৰায় ২৩ কি ২৪, সন্তৰণ-সজ্জা 'বিকিনি'ৰদৰে এটুকুৰা বক্ষাৱৰণ আৰু এটা ক'লা মখমলৰ হ্ৰস্ব 'পেন্টি', দুই হাত দুই উৰুত বিলম্বিত (আৰু কি উৰু!)। লুইজি আৰু ফাউষ্টাই মূৰ দোঁৱাই দৰ্শকক অভিবাদন কৰিলে, এটা বহল, বিস্তীৰ্ণ অভিবাদন (হৰ্ষধ্বনি, হাতচাপৰি, 'কুকুৰনেচীয়া বাঘ'ৰ সুহুৰি, দীৰ্ঘতৰ হাতচাপৰি)।

লুইজি আচল কথালৈ আহিল। লুইজিয়ে মোছত তাও দিলে, দুই হাত মেলি দিলে আৰু দুই হাত জোঁকাৰিলে, আৰু ক'লে যে ভয়হীনা ফাউষ্টা তাইৰ বিশেষণৰ নহয় অযোগ্য, ভদ্র মহিলা আৰু ভদ্ৰ মহোদয়সকল, আপোনালোকে নিজ চকুৰে দেখিব। ফাউষ্টাৰ নাই বিপদৰ প্ৰতি তিলমাত্ৰ শংকা, ফাউষ্টাৰ নাই বিপদৰ মাজলৈ সোমাই যাবলৈ অনুমাত্ৰ দ্বিধা। তৰোৱাল? গুলি? পাঃ!

একোলৈকে ভয় নাই? এ—ঠিক ক'ব নোৱাৰিছোঁ কিন্তু দেই (গৰগৰাই লুইজিয়ে কৈ গ'ল, যেন কথাটো এইমাত্ৰ মনত খেলালে)—কি জানেনে, ভদ্র মহিলা আৰু ভদ্র মহদোয়সকল, পাঁচ বছৰ ধৰি মই ফাউষ্টাৰ পাণিগ্ৰহণৰ আবেদন কৰি আহিছোঁ (এইটো অৱশ্যে লুইজিয়ে সঁচা কথা নক'লে)—আঃ তাৰ কাৰণে কি আপোনালোকে মোক দোষ দিব পাৰে? এবাৰ ফাউষ্টালৈ চাওক! (তুমুল সুহুৰি) কিন্তু কি কয় তাই? (ৰুদ্ধশ্বাস দৰ্শক)। তাই কয়—বিশ্বাস কৰক বা নকৰক, ভদ্র মহিলা আৰু ভদ্ৰ মহোদয়সকল—যে স্ত্ৰী হ'লে তাইৰ এগৰাকী শাহু আইও হ'ব। আৰু শাহু আই বস্তুটোৰ কথা ভাবিলেই হেনো ভয়ত ফাউষ্টাৰ অণ্ঠ-কণ্ঠ শুকাই—(তুমুল হাস্যধ্বনিত লুইজিৰ কথা তল পৰি গ'ল)।

আৰু এনেকৈ, উৎকণ্ঠাপূৰ্ণ মুহূৰ্তবোৰ হাস্যৰসেৰে পৰিপূৰণ কৰি লুইজিয়ে ফাউষ্টাক এবাৰ দুবাৰ তিনিবাৰ হত্যা কৰিবৰ চেষ্টা কৰিলে। কফিনৰদৰে এটা দীঘল, চেপেটা বাকচৰ ভিতৰত তাইক আটিলকৈ বন্ধ কৰি লৈ বাকচটোত চাৰিওপিনৰপৰা দহ-বাৰখন তৰোৱালেৰে খুঁচি-খুঁচি দিলে, বাকচ ভেদ কৰি তৰোৱাল ইফালৰপৰা সিফাললৈ বাহিৰ গৈ গ'ল, কোনো সন্দেহ নাই যে তাইৰ দেহ ভেদ কৰিয়েই গ'ল। আৰু অৱশেষত তৰোৱালবোৰ আঁতৰাই আনি যেতিয়া বাকচটো খুলিলে, ভিতৰৰপৰা মধুৰ হাঁহিৰে ওলাই আহিল অক্ষতদেহা ফাউষ্টা। তাৰপাছত তাইক তেনেকুৰা বাকচ এটাত বন্ধ কৰি লুইজি আৰু তাৰ সহকাৰীয়ে বহুত ঘামি-জামি কৰতেৰে বাকচটো ৰুটি কটাৰদৰে চকল-চকলকৈ কাটিলে, প্ৰথমে কাঠমিস্ত্ৰিৰ সাধাৰণ কৰত, তাৰপাছত বৈদ্যুতিক কৰত। ওলাই আহিল—চটুলনয়না ফাউষ্টা। অৱশেষত তাইক তৃতীয় এটা বাকচত বন্ধ কৰি লুইজিয়ে উন্মত্তৰদৰে ৰিভলভাৰেৰে গুলিবৰ্ষণ কৰিলে, প্ৰেক্ষাগৃহ কঁপাই জাঁই-জাঁই গুলি বাকচটো বিদীৰ্ণ কৰি ওলাই গ'ল—আৰু ক্লান্ত হৈ যেতিয়া লুইজিয়ে ছিদ্ৰ-বিছিদ্ৰ বাকচটো খুলিলে, ভিতৰৰপৰা ওলাই আহিল—অৱশ্যেই!—সংকীৰ্ণ-কোমৰা, স্ফীত-বক্ষা, হাস্যমুখৰা, হিল্লোলিত-যৌৱনা, মৃত্যুহীনা, ভয়হীনা ফাউষ্টা।

*** *** ***

গ্ৰীনৰুমৰ ঢাক-নোহোৱা উত্তপ্ত এশ ৱাট বাল্বটোৰ তীব্ৰ পোহৰৰ তলত লুইজিৰ মুখভংগী পৰিৱৰ্তিত হ'ল। চকুৰ মণি দুটাৰ ঘূৰ্ণন বন্ধ, মুখৰ অনৰ্গল বাক্যস্ৰোত স্তব্ধ, মে'ক্-আপৰ পাউডাৰৰ ওপৰত ঘামৰ বিন্দু-বিন্দু পেটাৰ্ন।

উইংছেৰে দৰ্শকৰ হৰ্ষধ্বনি ভাহি আহিছে, মঞ্চত এতিয়া জাপানী কুস্তিগীৰ য়ামামটৰ দলৰ দুঃসাহসিক ক্ৰীড়া-কৌশল

চলিছে। ড্ৰেছিং টেবুলৰ এচুকত বহি সমুখৰ আয়নাখনত লুইজিয়ে গোঁফজোৰ চালে। ইতিমধ্যেই কি ধূসৰ হ'ব আৰম্ভ কৰিছে? মাম্মা মিয়া! ধূসৰ বা বগা গোঁফেৰে নাৰী-হন্তা যাদুকৰ সজা নচলে, সেইটো 'শ্ব' বিজিনেছৰ' নিয়মেই নহয়। ক'লা ৰং দি ল'বৰ সময় কি আহিলেই, ভিয়েনাৰ ম্যুজিক্স্পিল্হাউছৰ যাদুকৰ মাৰ্লিনৰদৰে?

যাদুকৰৰ ক'লা ফ্ৰককোটটো খুলি লুইজিয়ে এটা সাধাৰণ জেকেট পিন্ধিলে, আয়নাত প্ৰতিবিম্বিত হ'ল এটা শকত, স্ফীতবপু মূৰ্তি, মুখত এটা দৈত্যাকাৰ চিগাৰ ঃ সেয়া উইনষ্টন চাৰ্চ্চিলৰ বেশত বিল মেকগ্ৰু, বিখ্যাত লোকসকলৰ কেৰিকেচাৰ কৰা যাৰ বিশেষত্ব। মেক্গ্ৰুৱে দুই আঙুলিৰে চাৰ্চ্চিলৰদৰে এটা 'ভি' চিহ্ন দিলে, আৰু ক'লে "ৰাণী আৰু সাম্ৰাজ্যৰ নামত—তোমাৰ আজি আকৌ কি হ'ল, লুইজি, অ'ল্ড্ মেন্? যাবলৈ সাজুতো?"

বিল মেকগ্ৰুৰ অলপতে এটি পুত্ৰ সন্তান জন্ম হৈছে, এতিয়াও হাস্পতালত। 'হিকৰি-ডিকৰি ভগ্নীদ্বয়ে' মেক্গ্ৰুক ধৰি ৰাখিছে, এখন ভাল—সঁচাকৈয়ে ভাল—ৰেষ্টুৰেন্টত খুৱাই দিব লাগিব। 'হিকৰি-ডিকৰি কিড্ছ্' দুজনী আঁকোৰগোজালি বাই-ভনী, এজনী ১৮, এজনী ২০ (তাইহঁতে ষ্টেজত দুখন ওখ চলন্ত এচকীয়া চাইকেলৰ ওপৰত নাচে আৰু গান গায়)। পকেটৰ দুৰৱস্থাৰ কথা কৈ মেক্গ্ৰুৱে তাইহঁতক নিবৃত্ত কৰিব পৰা নাই। গতিকে আজি ৰাতি শ্ব' শেষ হোৱাৰ পাছত মেক্গ্ৰুৱে তাইহঁতক ৰেষ্ট এ'গুৰ এখন জব্বৰজং ৰেষ্টুৰেন্টলৈ লৈ যাব, এই সুযোগতে লুইজি আৰু ফাউষ্টাকো নিমন্ত্ৰণ কৰিছে।

"জৰুৰ", আয়নাৰপৰা মুখ ঘূৰাই লুইজিয়ে ক'লে, কিন্তু কণ্ঠত কোনো উৎসাহ ফুটি নুঠিল। মেক্গ্ৰুৱে মুখৰপৰা চিগাৰডাল আঁতৰাই কৌতূহলেৰে লুইজিৰ মুখলৈ চালে।

"কি জানা, মোৰো যেন কিবাকৈ মনত খেলাইছিল, আজি ষ্টেজত তুমি মাজে-মাজে হঠাৎ অলপ অন্যমনস্ক হৈ পৰিছা। নাই, নাই, চকুত লগাকৈ একো নহয়—দৰ্শকে কোনেও একো ধৰিব পৰা নাই, তেওঁলোকেতো আৰু তোমাক নাজানে। অৱশ্যে মোৰো ভুল হ'ব পাৰে। কিবা হৈছে? ফাউষ্টা?"

জেকেটৰ পকেটৰপৰা লুইজিয়ে এখন চিঠি বাহিৰ কৰিলে। ওপৰত ফাউষ্টাৰ ঠিকনা, ইটালীয় ডাকটিকেট।

"বাপেকৰপৰা।", লুইজিয়ে ক'লে।

"আঃ, তোমাৰ অনিচ্ছুক শ্বশুৰ, গুড অল্ড পাপা। কি বক্তব্য?"

"কেনেকৈ জানিম? ফাউষ্টাক এতিয়াও দিয়াই নাই। তাইৰ পালাটো হৈ যোৱাৰ আগেয়ে কি তাইৰ হাতত দিব পাৰি? এইবাৰ বা আকৌ কি লিখিছে কোনে জানে? তুমিয়েই কোৱা?"

লুইজিয়ে ক'লে যে কথাটো যুক্তিসংগত, কিন্তু পাছত যেতিয়া তাই গম পাব যে সি চিঠিখন অত সময় আঁতৰাই থৈ দিছিল, ফাউষ্টাই কি তল-ওপৰ লগাই চিঞৰ-বাখৰ কৰি তাৰ মূৰৰ চুলি (গোঁফ?) বগা কৰি নেপেলাব? মেক্গ্ৰুৱে ক'লে, "সেইখন দলং যেতিয়া পাবা তেতিয়া পাৰ হ'বা। এতিয়া আমাৰ পাৰ্টিটো নষ্ট নকৰিবা। কৰিব নোৱাৰা।"

অনিশ্চিতভাৱে লুইজি ৰাজী হ'ল। মেক্গ্ৰুৱে ক'লে, "বাচ, সেয়ে ঠিক হ'ল তেনেহ'লে। চিন্তা নকৰিবা।" ড্ৰেছাৰৰ তলৰপৰা মেক্গ্ৰুৱে এটা পেইল্ এইলৰ বটল উলিয়াই আনি দুটা বীয়াৰৰ মগত দুই পাইন্ট বাকি উলিয়ালে। "এঢোক? ভোক দিব।"

লুইজিয়ে নিৰ্লিপ্তভাৱে মগটো ল'লে।

"অৱশ্যে পাপাই মাজে-মাজে অলপ গৰ্জিবই", ওঁঠৰপৰা বীয়াৰৰ ফেন মচি সন্তুষ্টভাৱে মেক্গ্ৰুৱে ক'লে, "পাপাৰ অৱস্থাত পৰা হ'লে ময়ো গৰ্জিলোঁহেঁতেন। তেওঁলোকৰ একেজনী ছোৱালীক তুমি এনেকৈ পলুৱাই লৈ আহিলা—"

"বাৰে-বাৰে একেটা কথাকে কোৱা কিয়?", বিৰক্ত লৈ লুইজিয়ে ক'লে, "কৈছোঁৱেই দেখোন, তাই তেতিয়া সাবালিকা।"

"বয়সত", মেক্গ্ৰুৱে ক'লে, "লুইজি, অ'ল্ড্ মেন, বয়সত।"

অৰ্থাৎ (বোধকৰোঁ), বিবেচনা-বুদ্ধিত নহয়। ঘটনাখিনি মেক্গ্ৰুৱে জানে। 'ৰিনাল্ডিৰ ভ্ৰাম্যমাণ ভেৰাইটি পাৰ্টি' ঘূৰি-ঘূৰি গৈ এদিন পিচা চহৰৰ কাষৰ চান্-জ্যভানি গাঁওখনত (জনসংখ্যা ৭২৩) উপনীত হৈ তম্বু তৰিলে, লুইজিয়ে তেতিয়া ৰিনাল্ডিৰ পাৰ্টিত জুই, কাঁচ আৰু তৰোৱাল খায় ('সৰ্বভূক লুইজি')! প্ৰথম সন্ধিয়াই প্ৰথম শাৰীত লুইজিৰ সৰ্বভূক চকুত পৰিল ফাউষ্টাৰ মুগ্ধ মুখ আৰু বিস্ময়বিস্ফাৰিত চকু, আৰু ফাউষ্টাই দেখিলে লুইজিৰ ৰোমান নাক, বুভুক্ষু ওঁঠ, ঘন ক'লা চুলি আৰু মম-মসৃণ গোঁফ...সংক্ষেপে, বাপেক-মাকৰ বাধা নুশুনি ৰিনাল্ডিৰ দলৰ লগত ফাউষ্টা গুচি আহিল...বহু চহৰ আৰু গাঁৱৰ মাজেৰে খেল দেখুৱাই ৰিনাল্ডিৰ ভ্ৰাম্যমাণ দল চান্ জ্যভানিৰপৰা দিনে-দিনে আঁতৰি গ'ল—কাৰাৰা...লা স্পেৎচিয়া...ৰাপাল...পৰ্টফিন'...তাৰপাছত জেনোৱা, আৰু জেনোৱা পাই সিহঁতৰ বিয়া হৈ গ'ল।

তাৰপাছত তাই দুবাৰ চান জ্যভানি গাঁৱলৈ গৈছে, এবাৰ লুইজিকো জোৰ কৰি লৈ গৈছে। মাক-বাপেকৰ লগত মোটামুটি এটা 'মিটমাট' হৈ গৈছে, তেওঁলোকৰ খং লাহে-লাহে পাতলিছে, পৰিস্থিতিটো মানি লৈছে, কিন্তু এতিয়াও তেওঁলোকৰ অসন্তোষ সম্পূৰ্ণ গুচা নাই ঃ এয়া কি এজনী গাভৰু ছোৱালীৰ, স্বাভাৱিক ইটালীয় গৃহিণীৰ জীৱন? ঘৰলৈ উভতি আহাঁ, তুমি আৰু লুইজিয়ে নিজৰ দেশতে বহুত ভাল কিবা এটা কৰি খাব পাৰিবা, এই অঘৰী জীৱন এৰি আহাঁ। তোমালোকৰ জীৱন কি এটা সুস্থ জীৱন? তোমাৰ বেয়া নালাগেনে ফাউষ্টা, কাৰা মিয়া, এনেকৈ দিনৰ পাছত দিন সপ্তাহত ছয়দিন এন্ধাৰ-মুন্ধাৰ চেপাখোৱা বাকচ এটাৰ ভিতৰত কোঁচমোচ খাই দম বন্ধ হৈ তৰোৱালৰ 'খোঁচ', পিস্তলৰ

‘গুলি’, কৰতৰ ‘ৰেপ’...দিনে দুবাৰকৈ...ৰাজ্যৰ হাজাৰ-হাজাৰ মানুহৰ সমুখত...চিৰিয়াখানাৰ গৰালৰ ভিতৰৰ জন্তুৰদৰে...

মেক্‌গ্ৰুৰ মুখলৈ নাচাই লুইজিয়ে নীৰৱে পেইল্ এইল্ খাব ধৰিলে, আৰু সিদিনাৰ চান্-জ্যভানি গাঁৱৰ তম্বুৰ তলত ফাউষ্টাৰ আগত ব্যগ্ৰকণ্ঠে কৈ যোৱা কথাবোৰৰ কথা ভাবিলে। ৰঙীন পৰিকল্পনা। সি ৰিনাল্ডিৰ দল এৰি দিব, নিজৰ ট্ৰুপ্ গঠন কৰিব—য’ত আৰু সি সামান্য তৰোৱাল-খাদক লুইজি নহয়, কৰ্তা, মালিক। চিন্যৰ্ লুইজি ফেৰাৰী। যাৰ আঙুলিৰ উঠা-নমাত চলিব জগদ্বিখ্যাত ‘ভেৰাইটি ফেৰাৰী’, ফাউষ্টাৰ গাত মিঙ্ক্ কোট আৰু ৰুছ চেব্‌ল্, আৰু ফাউষ্টাৰ গলৰ মুক্তাবোৰ আম্‌ষ্টাৰ্ডামত কটা। আৰু ‘ভেৰাইটি ফেৰাৰী’য়ে যেতিয়া প্ৰদৰ্শনী দিব লণ্ডনৰ পেলেডিয়ামত, ব্ৰাচেল্‌চৰ পেলো ড্য গ্লাছ্ আৰু বাৰ্লিনৰ থিয়াটাৰ আম্ শ্লচ্‌পাৰ্কত, চিন্যৰ আৰু চিন্যৰা ফেৰাৰী গৈ উঠিব হিল্টন হোটেলত, গ্ৰেণ্ডত, ডৰ্চ্ছেষ্টাৰত...!

নাই, এনেকৈ ফাউষ্টাক দুপৰীয়া এবাৰ সন্ধিয়া এবাৰ বাকচৰ ভিতৰত বন্ধ কৰাৰ কথা সেইদিনা আছিল লুইজিৰ চিন্তাৰপৰা সহস্ৰ যোজন দূৰত...

কিন্তু যুদ্ধৰ পাছত যেতিয়া আকাল আৰু অনাটন আহিল দেশত, ৰিনাল্ডিৰ ভেৰাইটিয়ে লালবাত্তি জলালে, সিঁচৰতি হৈ পৰিল বিভিন্ন পিনে দলৰ গায়ক-গায়িকা-বাজনদাৰ-বহুৰূপী-কুস্তিগীৰ, চাৰিওপিনে মাথোঁ অভাব আৰু ভোক আৰু কৰ্মহীনতা, উৰি গ’ল সকলো পৰিকল্পনা...আৰু আজি অ’ত, কালি ত’ত, এনেদৰে লক্ষ্যহীনভাৱে ভাহি-ভাহি অৱশেষত সিহঁত আহি লাগিল লণ্ডনৰ চুবুৰী বে’ল্‌চাইজ্ পাৰ্কৰ এই অখ্যাত, অবন্দিত ‘মিউজিকহল’ত, ডৰ্চেষ্টাৰ হোটেলৰ চুইটৰ ঠাইত ইষ্ট-এ’ণ্ডৰ এটা ৰাল্‌পে’পাৰ উঠা-যোৱা ফ্লেট, ছে’লফ্-ছাৰ্ভিছ্ দোকানৰ মেনুৰ একঘেঁয়ে নিম্ন মধ্যবিত্ত খাদ্য, সেমেকা পাকঘৰ এটাৰ গেছ-ৰিং এটাত কফি উতলোৱা আৰু ছচেজ্ ভজাৰ ৰুটিন...

আৰু ফাউষ্টাই কি কয়? “...কিন্তু মৰমৰ পাপা আৰু মামা, মোৰ ইয়াত অকণো বেয়া লগা নাই, অস্বাভাৱিক জীৱন যেন লগা নাই। লুইজিয়ে ষ্টেজ এৰি যাব পৰাহেঁতেন আমি নিশ্চয় উভতি গ’লোঁহেঁতেন, কিন্তু ষ্টেজ লুইজিৰ ৰক্তত আছে, লুইজিক ষ্টেজৰপৰা আঁতৰাই নিলে মাছক পানীৰপৰা আঁতৰাই নিয়াৰদৰে হ’ব...আৰু সঁচাকৈয়ে, চেপেটা বাকচটোৰ এন্ধাৰত বন্ধ হৈ থাকি মই অলপো বেয়া নাপাওঁ, মোৰ নিশ্বাস লোৱাতো তেনেকৈ একো কষ্ট নহয়। বৰং বেচ মজা-মজা লাগে, মনত যেন ৰোমাঞ্চ হে লাগে...”

*** *** ***

বিকিনি খুলি ফাউষ্টাই এটা স্কাৰ্ট পিন্ধি তাৰ ওপৰত এটা ৰেইনকোট চপালে আৰু আয়নাত চাই-চাই মুখত এখন স্কাৰ্ফ বান্ধিলে আৰু হাতবেগটো তুলি লৈ যাবলৈ সাজু হ’ল। প্ৰেক্ষাগৃহৰপৰা হাতচাপৰিৰ শব্দ ভাহি আহিল। হিকৰি-ডিকৰি ভগ্নীদ্বয়ৰ পালা শেষ হৈছে। গ্ৰীনৰুমলৈ আহিয়েই দুই ভনীয়ে ড্ৰয়াৰ খুলি ক’ৰবাত লুক্কায়িত দুখন হেম্‌ছেণ্ড-উইচ্ উলিয়াই চোবাবলৈ আৰম্ভ কৰি দিলে। ফাউষ্টাই ক’লে, “মা-ডনা! আকৌ খাব আৰম্ভ কৰিলা? কিয়, বিলৰ ছাপাৰ্ পাৰ্টিলৈ নোযোৱা?”

“ভোক লগাই লৈছোঁ,” হিকৰিয়ে (তাইৰ আচল নাম বেলিণ্ডা) ভৰ্তি মুখেৰে কোনোমতে ক’লে আৰু হাঁহিবৰ চেষ্টা কৰিলে।

“অ, ময়ো ভোক লগাই লৈছোঁ”, ডিকৰিয়ে (তাইৰ আচল নাম এন) ভৰ্তি মুখেৰে কোনোমতে ক’লে আৰু হাঁহিবৰ চেষ্টা কৰিলে।

“ওলোৱা, ওলোৱা, বিলে চাৰে নটাত বুলি কৈছিল”, ফাউষ্টাই ক’লে আৰু ওলাই গৈ লুইজি আৰু মেক্‌গ্ৰুৰ দুৱাৰত টোকৰ দিলে। “ইয়েছ”, ভিতৰৰপৰা লুইজিয়ে ক’লে। কোঠাত মেক্‌গ্ৰু নাছিল। ফাউষ্টাই ক’লে, “তুমি আজি ইমান অন্যমনস্ক হৈ আছিলা কিয়?”

“অন্যমনস্ক? মই?”, লুইজি যেন আকাশৰপৰা পৰিল, “দৰ্শকক সুধি চোৱা।”

“দৰ্শক, বাঃ! দৰ্শকৰ কি চকু-কাণ কিবা আছে, দৰ্শকে কেতিয়াবা কিবা ধৰিব পাৰে? কোৱা, সঁচাকৈ, কি হৈছিল?”

“কি আৰু হ’ব?”

“নোকোৱা যদি মই বিলৰ পাৰ্টিলৈকে নাযাওঁ, মই ঘৰলৈ যাওঁগৈ”, ফাউষ্টাই চূড়ান্ত চৰ্ত দি বহিল। ফাউষ্টাৰ গোঁৰৱামি তাৰ নজনা নহয়। তদুপৰি, লুইজিয়ে ভাবিলে, পাছলৈ গণ্ডগোল এটা সাঁচি থোৱাতকৈ চিঠিখন এতিয়াই দি লেঠাটো মাৰি পেলোৱাই কি বেয়া হ’ব?

কলৰৱ কৰি-কৰি মেক্‌গ্ৰু আৰু হিকৰি-ডিকৰি সোমাই আহিল, মেক্‌গ্ৰু অ-চাৰ্ছিলীকৃত আৰু গালৰ ৰং-চং গুচাই হিকৰি-ডিকৰিয়ে সান্ধ্য-পৰিচ্ছদ পিন্ধিছে। লুইজিয়ে ক’লে, “যাব লগিল? অ’—কি নাম বুলি কৈছিলা ৰেষ্টুৰেণ্টখনৰ?”

“ৰোমানফ্।”

“লেছষ্টাৰ স্কোৱেৰৰ ৰোমানফ?”

“সেইখনেই”, সামান্য বুকু ফুলাই মেক্‌গ্ৰুৱে ক’লে।

“মা-ডনা!”, ফাউষ্টাই ক’লে।

"য'ত ৰীটা হে'ৰাৰ্থে ছাপাৰ খায়? ভিতৰখন চাগে কেনেকুৱা! মই ভাই আজিহে প্ৰথম ৰোমানফত সোমাম!", হিকৰিয়ে ক'লে।

"ময়ো", ডিকৰিয়ে ক'লে।

"বাৰু, তোমালোক আগবাঢ়া! আমি এই আহিছোঁ", লুইজিয়ে ক'লে।

"কি আমি এই আহিছোঁ?"

"অ, বিল, আমাৰ এটা কাম আছে, তোমালোক আগবাঢ়া, আমি যাব ধৰিছোঁ", ফাউষ্টাই ক'লে।

"অ, বিল, কামটোৰ কথা পাহৰিয়েই গৈছিলোঁ", লুইজিয়ে ক'লে। হিকৰি-ডিকৰিয়ে সমস্বৰে প্ৰতিবাদ কৰি উঠিল আৰু অবিশ্বাসেৰে মেক্‌গ্ৰুৱে ক'লে, "অ'? আই ছি!"

*** *** ***

বে'ল্‌চাইজ-পাৰ্ক টিউব ষ্টেশ্যনৰ বাহিৰৰ লাইট এটাৰ পোহৰত ফাউষ্টাই চিঠিখন পঢ়িলে, উদ্বিগ্ন হৈ লুইজিয়ে তাইৰ মুখলৈ চাই ৰ'ল। ফিৰফিৰীয়া চেঁচা বতাহ মাৰিছে। ষ্টেশ্যনৰ সমুখত খবৰৰ কাগজ বেচা বুঢ়ীজনী নিঃশেষিতপ্ৰায় কাগজদ'মৰ পিছপিনে জুপুকা মাৰি বহি আছে। দুই-এজন যাত্ৰী মাজে-মাজে ষ্টেশ্যনৰ ভিতৰৰপৰা ৰাস্তালৈ ওলাই আহিছে আৰু ওলায়েই গলৰ মাফলাৰ বা কোটৰ কলাৰ টানকৈ টানি লৈছে। কোনেও ফাউষ্টালৈ বিশেষকৈ ঘূৰি নাচালে। ৰেইন্‌কোট আৰু মূৰৰ স্কাৰ্ফখনৰ তলত গ্লেমাৰ গাৰ্ল্‌ ফাউষ্টা লণ্ডনৰ ৰাস্তাৰ হাজাৰ-হাজাৰ গাভৰু-গৃহিণীৰে এজনী, বিশেষত্বহীনা।

ফাউষ্টাৰ মুখত লাহে-লাহে এটা হাঁহি ফুঠি উঠিল, আৰু ক'লে, "আৰু ইয়াৰ কাৰণেই তুমি ভাবি মৰিছা? নাই, এইবাৰ তোমাৰ বিৰুদ্ধে একো নাই। ঘৰুৱা খবৰ। পাপাৰ বাতৰ বিষটো অলপ ভাল পাইছে। খেতি ভাল হৈছে। পিয়েট্ৰই বৃত্তিটো পাইছে। যাক, মা-ডনাক ধন্যবাদ...পিয়েট্ৰক থ'বলৈ পাপা-মামা দুয়ো পিচালৈ যাব...বৰদিনৰ বন্ধত আমাক এবাৰ যাবলৈ কৈছে...চেপেটা বাকচটোৰ ভিতৰত উশাহ বন্ধ হৈ মৰাৰ কথাও এইবাৰ একো নাই—ধেৎ তুমি মিছাকৈ—"

লুইজিৰ মুখতো লাহে-লাহে টান ৰেখাবোৰ ঢিলা হৈ গৈ হাঁহি উঠিল, আৰু ক'লে, "যাক! জানা, ময়ো কেতিয়াবা ভাবোঁ, পাপাৰ অসন্তোষ একেবাৰে অসংগতো নহয়। সঁচাকৈয়ে, মই তোমাক বাকচত ভৰোৱাৰ বাহিৰে আৰু কি দিব পাৰিছোঁ? তোমাৰ আগত কিমান ডাঙৰ-ডাঙৰ কথা কৈছিলোঁ—"

ফাউষ্টাই ষ্টে'জত হঁহাৰদৰে হাঁহিলে আৰু লুইজিৰ গালত লাহেকৈ থাপৰ এটা মাৰি কৈ উঠিল, "দেৰি হৈছে। বিলহঁত ৰৈ আছে। কিন্তু এয়া ক'লৈ আহিলোঁ? টিউবেৰে যাব খুজিছা নেকি?"

"অৱশ্যেই। তৎক্ষণাৎ পামগৈ। আহাঁ।"

ৰাতি এই সময়ত টিউবেৰে ভ্ৰমণ কৰিবলৈ লুইজিৰ খুব ভাল লাগে, বিশেষকৈ নৰ্ডাৰ্ন লাইনৰ ট্ৰেইনত। ভিৰ একেবাৰে নাথাকে, বহল-বহল ডাব্বাবোৰত মাথোঁ দুই-এগৰাকী সিঁচৰতি নিষ্ক্ৰিয়, ব্যস্ততাহীন অকলশৰীয়া যাত্ৰী, আৰু ঘৰলৈ ওভতা দুই-এহাল আপোনমত্ত যুৱক-যুৱতী। ক্ষিপ্ৰও। লেছষ্টাৰ স্কোৰেৰলৈ মাত্ৰ সাতটা ষ্টেশ্যন, পিকাডিলি লাইনলৈ সলনি কৰিলে আৰু মাত্ৰ দুটা বেছি। শূন্য ট্ৰেইনবোৰে বিদ্যুৎগতিত সুৰংগৰ এন্ধাৰ আৰু প্লেটফৰ্মৰ পোহৰৰ চকামকাৰ মাজেৰে নিমিষতে লণ্ডনৰ এক কোণৰপৰা আন এক কোণলৈ উৰাই লৈ যায়—

"কি যে কোৱা! বাছ-ষ্টপলৈ ব'লা", ফাউষ্টাই ক'লে।

"বাছত গ'লে বহুত দেৰি হৈ যাব। হ'বৰ্ন, অল্ডউইচ্‌, ৰিজেণ্ট ষ্ট্ৰীট, সকলোতে যি ৰকম সাংঘাতিক ট্ৰেফিক্‌ জেম্‌—
"

"বাঃ, আজি আকৌ তুমি নজনাই হ'লা!", মুখখন ওফোন্দাই অভিযোগৰ সুৰত ফাউষ্টাই ক'লে, "জানাই দেখোন, টিউবেৰে যাবলৈ মোৰ বৰ কিবাকিবা লাগে। মাটিৰ তলেৰে ঘোপমৰা সুৰংগবোৰৰ ভিতৰেৰে বন্ধ ডাব্বাৰ ভিতৰত গৈ আছোঁ, ভাবিলেই মনটো কোঁচ খাই যায়, কথা এটা ক'বলৈকে মন নাযায়। বাছত ব'লা, বঢ়িয়াকৈ কথা পাতি-পাতি যাব পাৰিম, হয় হ'ব দুই মিনিট দেৰি।" ফাউষ্টাই লুইজিৰ হাতত ধৰি টানিলে, "জানি-শুনিও তুমি মোক টিউব-ট্ৰেইনৰ ডাব্বাত নি ভৰাব খুজিছা, য'ত সোমালেই মোৰ উশাহ বন্ধ হৈ যাব খোজে! মা-ডনা!"